
# পুষ্টি মালা




## খেলৰ নিয়ম

- বৃত্তাকাৰে বহি লোৱা 10–12 গৰাকী খেলুৱৈৰ মাজত এই খেলটো খেলিব পৰা যায়।
- বৃত্তটোত বহি থকা যিকোনো এগৰাকী খেলুৱৈয়ে এটা পুষ্টিকৰ খাদ্যৰ নাম কৈ খেলটো আৰম্ভ কৰিব পাৰে।
- প্ৰথমগৰাকী খেলুৱৈৰ ঠিক কাষতে (যিকোনো এফালে) বহি থকা পৰৱৰ্তী খেলুৱৈগৰাকীয়ে খেলটো আগবঢ়াই নিব তেওঁ ভালপোৱা আন এটা খাদ্য সামগ্ৰীৰ নাম প্ৰথমটো খাদ্য সামগ্ৰীৰ নামৰ সৈতে যোগ দি। যেনে, প্ৰথমগৰাকী খেলুৱৈয়ে যদি আম বুলি কৈছিল, তেন্তে দ্বিতীয়গৰাকী খেলুৱৈয়ে আম বুলি ক'ব লাগিব আৰু লগতে যোগ দিব লাগিব আন এটা পুষ্টিকৰ খাদ্য, যেনে, আম-চাউল।
- এই খেলটো তেতিয়ালৈকে চলি থাকিব যেতিয়া যিকোনো এগৰাকী খেলুৱৈয়ে সমৱৰ্তী খাদ্য শৃংখলটোত থকা যিকোনো এটা খাদ্য সামগ্ৰীৰ নাম মনত ৰাখিবলৈ অপাৰগ হয় বা সেইটোৰ নাম ভুলকৈ উল্লেখ কৰে।
- পুষ্টিকৰ খাদ্য শৃংখলটোত তেতিয়া ব্যাঘাত জন্মিব যেতিয়া এগৰাকী খেলুৱৈয়ে শৃংখলটোত থকা খাদ্য সামগ্ৰীৰ নাম মনত ৰাখিবলৈ অপাৰগ হয় বা ভুলক্ৰমে এনে এটা খাদ্যৰ নাম উল্লেখ কৰে যাৰ কোনো পুষ্টিজনিত মূল্য নাথাকে, যেনে—চিপছ আৰু ক'ল্ড ড্ৰিংকছ।
- মনত ৰাখিবলৈ অপাৰগ হোৱা বা যিকোনো পুষ্টিকৰ খাদ্যৰ নাম ভুলকৈ উল্লেখ কৰা এগৰাকী প্ৰতিযোগী খেলটোৰপৰা বাহিৰ হৈ যাব লাগিব।
- শেষত গৈ যিগৰাকী প্ৰতিযোগী থাকিব, তেওঁকেই বিজয়ী ঘোষণা কৰা হ'ব।